
# পাঠ-১৩ পৰিসীমা আৰু কালি

মল্লিকাৰ খুড়াকে তেওঁলোকৰ ঘৰৰ সন্মুখত এখন ফুলনি বাগিচা পাতিবলৈ যো-জা কৰিলে। তেওঁ কি কি ফুলৰ পুলি আনিব আৰু কেনেকৈ ৰুব সকলো কথা ঠিক কৰিলে। ঠাই ডোখৰৰ চাৰিওফালে এখন বাঁহৰ বেৰ দিবলৈ তেওঁ মাটিডোখৰ চাৰিওফালে জুখিবলৈ বিচাৰিলে।

চাওঁ আহাচোন মল্লিকাৰ খুড়াকে বাগিচা পাতিবলৈ লোৱা ঠাই ডোখৰৰ কেনেদৰে চাৰিসীমাৰ জোখ ল'লে।

মল্লিকাৰ খুড়াকে বাগিচা মাটি ডোখৰৰ চাৰিওটা কোণত চাৰিটা খুঁটি পুতি ল'লে। তেওঁ 'ক'ৰ পৰা 'খ'লৈ জোখ লৈ পালে ৪ মিটাৰ; খ'ৰ পৰা 'গ'লৈ জোখ লৈ পালে ৫ মিটাৰ, 'গ'ৰ পৰা ঘ'লৈ জোখ লৈ পালে ৪ মিটাৰ আৰু 'ঘ'ৰ পৰা 'ক'লৈ জোখ লৈ পালে ৫ মিটাৰ।




ল্লিকাহঁতৰ বাগিচাখনৰ চাৰিওফালৰ সীমাৰ জোখ হ'ল


৪ মিটাৰ + ৫ মিটাৰ + ৪ মিটাৰ + ৫ মিটাৰ = ১৮ মিটাৰ।

ামতলিক আকৃতিৰ চাৰিওফালৰ সীমাৰেখাৰ মুঠ দৈৰ্ঘ্যই হ'ল **পৰিসীমা**।

তিকে মল্লিকাহঁতৰ বাগিচাৰ পৰিসীমাৰ জোখ হ'ল ১৮ মিটাৰ।


**লত দিয়া ছবিবোৰৰ পৰিসীমাৰ জোখ লওঁ আহা**











**তলত দিয়া ছবিবোৰৰ পৰিসীমা উলিওৱা**





পৰিসীমা =৫চে মি+৫চে মি+৫চে মি=১৫চে মি





পৰিসীমা = ..........





পৰিসীমা = ..........




পৰিসীমা = ..........




পৰিসীমা = ..........




পৰিসীমা = ..........

নাহিদৰ মাকে ১ মিটাৰ ৫০ চে মি দীঘল আৰু ৭০ চে মি বহল কাপোৰ এডোখৰ টেবুলত পাৰিবলৈ কিনিলে। এই কাপোৰ ডোখৰৰ চাৰিওফালে লগাবলৈ মুঠতে কিমান দীঘল লেচ লাগিব?



.............................................. চে মি

**পাত এখিলাৰ পৰিসীমা জোখোঁ আহা**




- সূতা এডাল লোৱা। চিত্ৰত দেখুওৱাৰ দৰে 'ক'ৰ পৰা 'খ'লৈ আৰু 'খ'ৰ পৰা 'ক' লৈ সূতা এডালেৰে পাত খিলাৰ জোখ লোৱা।
- জোখ লোৱাৰ অন্তত সূতাডালত গাঁঠি এটা দিয়া।
- গাঁঠি দিয়া মূৰলৈ স্কেলেৰে সূতাডালৰ জোখ লোৱা। এয়াই হৈছে পাতখিলাৰ পৰিসীমা।

একেদৰে এখন কাঁহী আৰু এপাত খাৰুৰ পৰিসীমা নিজে উলিওৱা।



**জুখি চাওঁ আহা**


*শিক্ষকলৈ নিৰ্দেশনা : (কেইখনমান গণিতৰ কিতাপ ছাত্ৰ-ছাত্ৰীক টেবুলৰ ওপৰত আগুৰি যোৱাকৈ থ'বলৈ দিব। কে... কিতাপেৰে টেবুলখন আগুৰিছে চাবলৈ দিব। ইয়াৰ পিছত কেইটামান খালী দিয়াচলাই বাকচ গোটাই ছাত্ৰ-ছাত্ৰীসক... সেইবোৰেৰে এখন কিতাপ জুখিবলৈ দিব। কেইটা দিয়াচলাই বাকচেৰে কিতাপখন আগুৰিলে চাবলৈ দিব।)*





........ খন গণিতৰ কিতাপেৰে টেবুলখন কিতাপখন——টা দিয়াচলাই বাকচে আগুৰি... আগুৰিছে।

**তলৰ জালিখন মন কৰা আৰু লিখা**




জালিখনত মুঠ বৰ্গৰ সংখ্যা? ........................


জালিখনৰ দীঘ................ চে মি, প্ৰস্থ ............. চে মি


এইবাৰ দিয়াচলাই বাকচ এটা এই জালিখনৰ ওপৰত থোৱা। বাকচটোৱে জালিৰ কেইটা ঘৰ বা ব... আগুৰিছে গণনা কৰি লিখা ............... = টা

সকলোৱে সমান ঘৰ পালানে?



তলৰ জালিত ৰং দিয়া ছবিবোৰত কেইটাকৈ বৰ্গ আছে লিখা। কোনটো ৰঙৰ ৰঙীন ছবিয়ে জালিত বেছি ঠাই আগুৰিছে? তলত দিয়া প্ৰত্যেকটো বৰ্গৰ বাহুৰ জোখ ১ চে মি।






= 

=


=

তলৰ আয়তটোত কেইটা বৰ্গ আছে গণনা কৰি লিখা



________

তলৰ বৰ্গটোত কেইটা সৰু বৰ্গ আছে গণনা কৰি লিখা




________




তলৰ জালিৰ প্ৰত্যেকটো বৰ্গৰ বাহুৰ জোখ ১ চে মি। ৰং দিয়া অংশই জালিৰ কিমান সৰু ব
আওৰিছে গণনা কৰা।


*শিক্ষকলৈ নিৰ্দেশনা ঃ যদি এটা বৰ্গৰ ৰং দিয়া অংশই আধাতকৈ বেছি অংশ আওৰি আছে তেনেহ'লে এটা ঘৰ হিচাপে গণিব লাগিব। যদি ৰ
দিয়া অংশই বৰ্গ এটাৰ আধা অংশ আগুৰে তেন্তে অন্য এটা বৰ্গৰ আধাৰ লগত যোগ দিব লাগিব। যদি ৰং দিয়া অংশ আধাতকৈ কম তেতিয়া
হ'লে সেই অংশ বাদ দিব পাৰিব।*




১৬ টা ঘৰ




৬ টা ঘৰ





**তলৰ ছবিত থকা পাত দুখিলাই জালিৰ কেইটা সৰু বৰ্গ আগুৰিছে গণনা কৰি লিখা।**




ক = ............ টা ঘৰ

খ = ............ টা ঘৰ

- কোনটো পাত ডাঙৰ ☐
- কোনটো পাত সৰু ☐